জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫২৪/২০২০

## বৰপেটা জিলাৰ বজালীস্থিত বজালী মিল্ক পাৰ্লাৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

# কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ জৰিয়তেহে আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলাটো সম্ভৱ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২ আগষ্ট ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডৰ জৰিয়তেহে আত্মনিৰ্ভৰশীল অসম গঢ়ি তোলাটো সম্ভৱ। আজি বৰপেটা জিলাৰ বজালীস্থিত বজালী মিল্ক পাৰ্লাৰ পৰিদৰ্শন কৰি দুগ্ধ উৎপাদনৰ লগত জড়িত দুগ্ধ পালকসকলৰ উজ্জ্বীৱিত মানসিকতা তথা উৎসাহ প্ৰত্যক্ষ কৰি মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে সমগ্ৰ ৰাজ্যখনৰ বিভিন্ন ঠাইত কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত যুৱ চামৰ লগতে কৃষকসকলে সম্প্ৰতি কৰা মনোনিৱেশৰ পৰা এইটো কথা প্ৰতীয়মান হয় যে অসমে অদূৰ ভৱিষ্যতে কৃষিৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'ব পাৰিব। ক'ভিড-১৯ সৃষ্ট পৰিৱেশৰ বাবে আন্তঃৰাজ্যিক আৰু ৰাজ্যৰ আভ্যন্তৰীণ যাতায়াত ব্যৱস্থা বন্ধ থকাৰ সময়ত অসমে যে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত গুৰুত্ব আৰোপেৰে আত্মনিৰ্ভৰশীল হ'ব পৰাৰ সক্ষমতা আছে সেই কথা প্ৰতীয়মান হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আত্মনিৰ্ভৰ ভাৰত গঢ়ি তোলাৰ বাবে জনোৱা আহ্বান সাফল্যমণ্ডিত কৰিব লাগিলে কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডত উপযুক্ত গুৰুত্ব প্ৰদানেৰে ৰাজ্যখনক আত্মনিৰ্ভৰ ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্যখনৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰাৰ সময়ত তেখেতে ৰাজ্যৰ যুৱ চামে কৃষিক এক মৰ্যাদাসম্পন্ন বৃত্তি হিচাপে গ্ৰহণ কৰাৰ বাবে আগ্ৰহী হোৱাৰ দিশটো প্ৰত্যক্ষ কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনৰ কৃষিখণ্ডত আত্মনিয়োগ কৰা কৃষক তথা কৃষক গোটলৈ ৰাজ্য চৰকাৰে বিভিন্ন সহায়-সহযোগ আগবঢ়াই আছে বুলিও কয়। ২০২২ চনৰ ভিতৰত কৃষকৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যি লক্ষ্য লৈছে সেই লক্ষ্য পূৰণৰ বাবে ৰাজ্য চৰকাৰে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ৰাজ্যখনক বছৰি ২৫৮৮ মিলিয়ন লিটাৰ দুগ্ধৰ প্ৰয়োজন বুলি উল্লেখ কৰি ৰাজ্যখনে বৰ্তমান প্ৰতিবছৰে ৯৭০ মিলিয়ন লিটাৰ দুগ্ধ উৎপাদন কৰি আছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। দুগ্ধ উৎপাদনৰ দিশত থকা এই ঘাটি দুগ্ধ পালক, উদ্যোগীসকলৰ প্ৰচেষ্টা আৰু দুগ্ধ খণ্ডত কিছু পৰিমাণৰ বিনিয়োগেৰে অচিৰেই পূৰণ কৰিব পৰা যাব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনৰ কৃষক আৰু কৃষি খণ্ডৰ উত্তৰণৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা, মুখ্যমন্ত্ৰীৰ কৃষি সা-সঁজুলি যোজনা ইত্যাদিৰ লেখীয়া বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে।

পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে দুগ্ধ পালকসকলৰ সৈতে মত-বিনিময় কৰাৰ উপৰি তেওঁলোকে সন্মুখীন হৈ থকা বিভিন্ন সমস্যাৰো বুজ লয়। মুখ্যমন্ত্ৰীয়ে এই সমস্যাসমূহ সমাধানৰ দিশত ৰাজ্য চৰকাৰে যথোচিত পদক্ষেপ গ্ৰহণ কৰিব বুলিও কয়। মুখ্যমন্ত্ৰীয়ে বজালীত এটা দুগ্ধ সংসাধন গোট স্থাপনৰ বাবে জনোৱা দাবীৰ দিশটো ৰাজ্য চৰকাৰে ইতিবাচক দৃষ্টিভংগীৰে বিবেচনা কৰিব বুলিও আশ্বাস প্ৰদান কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ দিলীপ শইকীয়া, নলবাৰী সমষ্টিৰ বিধায়ক আশোক শৰ্মাৰ লগতে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**২/০৮/২০২০**